# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2025
**Time :** 1910 hrs

## *Assamese Evening Bulletin*

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি টকিঅ'ত জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাৰ সৈতে পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে অমৃত উদ্যানত অনুষ্ঠিত এটা অনুষ্ঠানত ক্ৰীড়াবিদসকলৰ সৈতে মত-বিনিময় কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি বিশ্বৰ ভিতৰতে পুৰাতন পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ বুলি প্ৰকাশ কৰে।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত অনুষ্ঠিত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত অহা ১ জানুৱাৰী পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে। ***আৰু***

৫। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে চৰকাৰৰ গৱেষণা উন্নয়ন আৰু উদ্ভাৱন আঁচনিৰ জৰিয়তে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ উদ্যোগ জগতক আহ্বান জনাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি টকিঅ'ত জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাৰ সৈতে পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত থকা সম্পৰ্কৰ কথা সকলো দিশৰ পৰা আলোচনা কৰি এটা সমীক্ষা আগবঢ়ায় আৰু বিশেষ কৌশলগত আৰু বিশ্বব্যাপী অংশীদাৰিত্বৰ পৰৱৰ্তী পৰ্যায়ক আগুৱাই নিয়াৰ উপায়ৰ বিষয়ে আলোচনা কৰে। যৌথ সংবাদ মেলত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে আজিৰ আলোচনা উৎপাদনশীল আৰু উদ্দেশ্য প্ৰণোদিত। বিশ্বশান্তি আৰু স্থিতিশীলতাৰ বাবে ভাৰত-জাপানৰ অংশীদাৰিত্ব এটা অপৰিহাৰ্য বিষয় বুলি দুয়োখন দেশৰ নেতাই সহমত প্ৰকাশ কৰে। তেওঁ মন্তব্য কৰে যে শক্তিশালী গণতান্ত্ৰিক দেশসমূহ এখন উন্নত পৃথিৱী গঢ় দিয়াৰ বাবে স্বাভাৱিক অংশীদাৰ। অহা দশকৰ ভিতৰত বিভিন্ন বিষয় সামৰি এখন ৰূপৰেখা প্ৰস্তুত কৰাৰ কথা ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে বিনিয়োগ, উদ্ভাৱন, অৰ্থনৈতিক সুৰক্ষা, পৰিবেশ, প্ৰযুক্তি, স্বাস্থ্য, গতিশীলতা আৰু জনসাধাৰণৰ মাজত বিনিময় -এই অংশীদাৰিত্বৰ বিষয়বস্তু। তেওঁ লগতে উল্লেখ কৰে যে ভাৰত-জাপানৰ সেউজ অংশীদাৰিত্ব অৰ্থনৈতিক অংশীদাৰিত্বৰ দৰেই শক্তিশালী আৰু জাপানৰ প্ৰযুক্তি আৰু ভাৰতৰ প্ৰতিভা এক বিজয়ী সংমিশ্ৰন।

জাপানৰ প্ৰধানমন্ত্ৰীয়ে তেওঁৰ বিবৃতিত কয় যে উদ্ভাৱনৰ জৰিয়তে ভাৰতে সমগ্ৰ বিশ্বলৈ ৰূপান্তৰ কঢ়িয়াই আনিছে। পৰিপূৰক আৰু পাৰস্পৰিক সম্পৰ্ক থকাটো ভাৰত আৰু জাপান উভয় দেশৰ বাবে প্ৰয়োজনীয় বিষয় বুলি তেওঁ ব্যক্ত কৰে। তেওঁ লক্ষ্য কৰে যে ভাৰত আৰু জাপানৰ প্ৰতিৰক্ষা সহযোগিতা আগতকৈ শক্তিশালী হৈছে। ভাৰতবৰ্ষ এখন প্ৰচুৰ সম্ভাৱনা থকা বিশাল বজাৰ আৰু জাপানে এই উপলক্ষে কেইবাখনো চুক্তিতো স্বাক্ষৰ কৰিছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপান সংসদৰ অধ্যক্ষ ফুকুশ্বিৰু নুকাগা আৰু সংসদৰ সদস্যসকলক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে তেওঁলোকে ভাৰত আৰু জাপানৰ মাজত থকা শক্তিশালী আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে আৰু এই আলোচনাত সংসদীয় বিনিময়, মানৱ সম্পদ উন্নয়ন, সাংস্কৃতিক বিনিময় আৰু অৰ্থনীতি, স্বাস্থ্য, কৃত্ৰিম বুদ্ধিমত্তা, বিজ্ঞান আৰু প্ৰযুক্তি আদিকে ধৰি মুখ্য খণ্ডসমূহৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে হৈছে। ভ্ৰমণকালত জাপানৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী য়োশ্বিহাইড ছুগা আৰু ফুমিঅ' কিশ্বিদাইও শ্ৰীমোদীক সাক্ষাৎ কৰে।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে অমৃত উদ্যানত অনুষ্ঠিত এটা অনুষ্ঠানত ক্ৰীড়াবিদসকলৰ সৈতে মত-বিনিময় কৰে। ক্ৰীড়া দিৱস উদযাপনৰ উদ্দেশ্যে ক্ৰীড়াবিদসকলক অমৃত উদ্যানত আজি বিশেষ সুবিধা প্ৰদান কৰা হয়। এই উদ্যানখন এই মাহৰ ১৪ তাৰিখলৈ খোলা থাকিব। অমৃত উদ্যানৰ প্ৰবেশ মাচুল বিনামূলীয়া কৰাৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয়ৰ প্ৰবেশ বিনামূলীয়া কৰা হৈছে। দৰ্শনাৰ্থীসকলে অনলাইনযোগেও টিকট বুকিং কৰিব পাৰিব।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ইতিহাস, ভাষা, কলা, সংগীত, সাজ-পাৰ, খাদ্যাভাষ আৰু প্ৰাকৃতিক সৌন্দৰ্যই এই খণ্ডক বিশ্বৰ ভিতৰতে অনন্য কৰি তুলিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি দিয়া ভাষণত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বৰ ভিতৰতে পুৰাতন পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ। মহাৰাজ পৃথুৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনলৈকে, বীৰ চিলাৰায়ৰ পৰা আৰম্ভ কৰি সেনা বাহিনীত যোগ দিয়া জোৱানলৈকে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া উত্তৰ-পূবৰ বীৰ পুৰুষসকলৰ ত্যাগে দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰী গণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশৰ মাজত নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱনৰ বাবে ৰাজ্য চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে।

ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰহ মৰ্মে দেশৰ দ্বিতীয়টো ফৰেণচিক গৱেষণাগাৰ অসমত স্থাপন হোৱাটো অতি গৌৰৱৰ বিষয়। শ্ৰী শ্বাহে কয়, যে দেশৰ জনসাধাৰণৰ বাবে চাইবাৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ২০১৯ চনত দিল্লীত দেশৰ প্ৰথমটো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেঞ্চিক গৱেষণাগাৰ স্থাপন কৰা হৈছিল। উল্লেখযোগ্য যে, ৪৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ফৰেণচিক গৱেষণাগাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৃথক আবাসীক পৰিষৰ আৰু আই টি বি পিৰ সোণাপুৰত থকা ৩৩ সংখ্যক বেটেলিয়নৰ ৩৬০ গৰাকী জোৱানৰ বেৰেক বিষয়াসকলৰ মেচ আৰু ১০ খন বিচনাযুক্ত চিকিৎসালয় ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। তেওঁ লগতে শ্ৰীকোনাত আছাম ৰাইফলৰ মহাপৰিদৰ্শকৰ মুখ্য কাৰ্যালয়, শিলচৰৰ খনিজ গোট আৰু যোৰহাটৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত প্ৰশাসনিক আৰু আবাসীক চৌহদৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১ জানুৱাৰী পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে। তেওঁ লগতে বৃন্দাবনী বস্ত্ৰ অসমলৈ লৈ অনাৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে। একেই অনুষ্ঠানত উপস্থিত থাকি শ্ৰী শ্বাহে ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰৰ পৰা অহা হাজাৰ হাজাৰ নিৰ্বাচিত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰতিনিধিক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে।

গৃহমন্ত্ৰীগৰাকীয়ে খানাপাৰাত নিৰ্মাণৰত অৱস্থাত থকা জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহৰ স্থানো পৰিদৰ্শন কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠানত অংশলৈ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু অতুল বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অগ্ৰণী নেতৃত্বৰে ৰাষ্ট্ৰৰ হকে সেৱা আগবঢ়োৱা প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ কৰ্মৰাজীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে চৰকাৰৰ গৱেষণা উন্নয়ন আৰু উদ্ভাৱন আঁচনিৰ জৰিয়তে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ উদ্যোগ জগতক আহ্বান জনাইছে। আজি নতুন দিল্লীত ১৭ সংখ্যক চি আই আই গ্লোবেল মেডটেক সন্মিলনত শ্ৰীগোৱেলে ভাৰতীয় ভেষজ উদ্যোগক কোভিড-১৯ মহামাৰীৰ সময়ত প্ৰদৰ্শন কৰা সেৱাক প্ৰশংসা কৰে। তেওঁ লগতে ভাৰতক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ কৰি তোলা বাবে এই উদ্যোগটোক প্ৰশংসা কৰে। শ্ৰীগোৱেলে ভাৰতৰ লগতে বিশ্বত উন্নত মানৰ আৰু সহজলভ্য স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত ভেষজ উদ্যোগক চৰকাৰে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব বুলি দিয়াৰ প্ৰতিশ্ৰুতিৰ ওপৰতো আলোকপাত কৰে।

০০০০০

ভাৰতীয় নৌসেনাৰ জাহাজ টামাল আৰু চুৰাট চৌদি আৰৱৰ জেড্ডাত উপস্থিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে এই ভ্ৰমণে ভাৰত আৰু চৌদি আৰৱৰ প্ৰতিৰক্ষা সহযোগিতা আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক উন্নত কৰাৰ লগতে দুয়োপক্ষই নৌসেনাৰ উত্তম পদ্ধতিসমূহ অন্বেষণ কৰাৰ সুযোগ প্ৰদান কৰিব। মন্ত্ৰালয়ে লগতে ভাৰতে চৌদি আৰৱৰ সৈতে সাংস্কৃতিক বিনিময় কৰাৰ ক্ষেত্ৰত আগভাগ ল'ব বুলিও সদৰি কৰে। উল্লেখযোগ্য যে টামাল হৈছে ভাৰতীয় নৌসেনা জাহাজৰ তলৱাৰ ক্লাছ ষ্টীল্থ ফ্ৰিগেটছৰ অষ্টমখন জাহাজ আৰু চুৰাট হৈছে ভাৰতীয় নৌসেনাৰ দেশীয়ভাৱে শেহতীয়াকৈ নিৰ্মিত গাইডেড মিছাইল ধ্বংসকাৰী জাহাজ।

০০০০০

**সমাপ্ত**